(শিশু শিতান)

# আমাৰ পৰম্পৰা,সংস্কৃতি,স্বাস্থ্য আৰু কৃত্ৰিমতা

কাব্যশ্ৰী বৰুৱা, সপ্তম শ্ৰেণী, শংকৰদেৱ শিশু বিদ্যা নিকেতন, চৰাইদেউ

বিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণাই আমাক বহুতো সুফল দিয়ে। তাৰ ভিতৰত অন্ধবিশ্বাস নিৰ্মূলকৰণ ,প্ৰকৃতিৰ সত্য উদঘাটন আৰু আৱশ্যকীয় বস্তুৰ কৃত্ৰিম উৎপাদন উল্লেখনীয়। বিজ্ঞানৰ বোকোচাত উঠি কৃত্ৰিমতাৰ ক্ষেত্ৰত মানৱজাতি বহু আগবাঢ়ি গৈছে,যেনে: মানৱ দেহৰ বিকল অংগ কৃত্ৰিম অংগৰে প্ৰতিস্থাপন কৰি অসুস্থ মানুহ সুস্থ কৰি তুলিব পৰা গৈছে।ঘৰত ব্যৱহৃত বিভিন্ন বস্তুৰ পৰা আৰম্ভ কৰি খেতি পথাৰলৈকে আমি কৃত্ৰিমভাৱে প্ৰস্তুত কৰি ব্যৱহাৰ কৰি আহিছো। আমি আমাৰ পাকঘৰত খাদ্য সিজাবলৈ ব্যৱহাৰ কৰা চৌকাৰ জুইৰ সলনি এল.পি.জি গেছকে ধৰি বৈদুতিক কুকাৰ,বৈদ্যুতিক কেটলি আৰু বিভিন্ন ধৰণৰ কৃত্ৰিমভাৱে প্ৰস্তুত কৰা সামগ্ৰী আমি আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আহিছোঁ,মহাকাশলৈ কৃত্ৰিমভাৱে প্ৰস্তুত কৰা উপগ্ৰহ পঠিয়াবলৈ আমি সক্ষম হৈছোঁ,এইয়া মানৱজাতিৰ বাবে গৌৰৱময় কথা।

এতিয়া প্ৰশ্ন হ'ল যে আমি এই কৃত্ৰিমতাৰ কিমান সৎব্যৱহাৰ কৰিছোঁ?

আজিৰ সভ্যতাৰ উন্নতিৰ প্ৰতি দৃষ্টি ৰাখি অৱশ্যে কব পাৰোঁ যে বহু ক্ষেত্ৰতেই আমি ইয়াৰ সৎব্যৱহাৰ কৰিছোঁ। কিন্তু কৃত্ৰিমভাৱে প্ৰস্তুত কৰা আৰামদায়ক সামগ্ৰীৰ অত্যধিক ব্যৱহাৰে আমাৰ স্বাস্থ্যত আঘাত নসনা নহয়।তদুপৰি কৃত্ৰিমতাক পৰম্পৰা-সংস্কৃতিত সংযোগ কৰি সমাজখনক এক সাংস্কৃতিক আঘাতো দিছোঁ।




অৱশ্যে আমাৰ কিছুমান পৰম্পৰা যেনে- দূৰ্গা পূজাৰ সময়ত পশু বলি দিয়া বা তেনেধৰণৰ কিছুমান নিয়ম য'ত বিজ্ঞানসন্মত কোনো যুক্তি নাই,তেনে নিয়ম বা

পৰম্পৰাবোৰত কৃত্ৰিমতা সংযোগ হ'লেও ই পৰম্পৰা-সংস্কৃতিত আঘাত কৰা কথাটো গ্ৰহণযোগ্য নহয় বৰঞ্চ আমি তেনে অন্ধবিশ্বাসসমূহৰ পৰা মুক্তিহে পাম।

দূৰ্গা পূজাৰ সময়ত পশু বলি দিয়া নিয়মটো বিজ্ঞানৰ দৃষ্টিৰে পৰ্যৱেক্ষণ নকৰি যদি ঐশ্বৰিক শক্তিৰ ফালৰ পৰা পৰ্যৱেক্ষণ কৰোঁ,তেন্তে দূৰ্গাদেৱী বা ভগৱন্তই আমাৰ পিতৃ-মাতৃস্বৰূপ আৰু আমি মানুহ,জীৱ-জন্তু সকলো তেওঁলোকৰ সতি-সন্ততি। এতিয়া কথা হ'ল কোনো পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ বেয়া বা অমঙ্গল হোৱাটো নিবিচাৰে,তেন্তে এতিয়া ভাবক তেওঁলোকে জানোঁ আমাৰ নিষ্পাপভাৱে মৃত্যু হোৱাটো বা ক'ৰবাত আঘাত পোৱাটো বিচাৰিব?

আমি এনে নিয়ম বা পৰম্পৰাসমূহ ঐশ্বৰিক দৃষ্টিৰে পৰ্যৱেক্ষণ কৰিলেও ই এটা অন্ধবিশ্বাস আৰু এই অন্ধবিশ্বাসসমূহ সৃষ্টি হৈছে মানুহৰ ঠেক মনোবৃত্তিৰ বাবে।

কিন্তু আমাৰ সমাজত কিছুমান নিয়ম বা পৰম্পৰা আছে য'ত বৈজ্ঞানিক দৃষ্টিভংগীও নথকা নহয় আৰু প্ৰাকৃতিক দিশৰ পৰাও গ্ৰহণযোগ্য।তেনে পৰম্পৰাবোৰত যদি কৃত্ৰিমতা সংযোগ কৰা হয়,তেন্তে মানৱ সমাজৰ অনিষ্ট হোৱাৰ সম্ভাৱনাহে অধিক।

আমাৰ অসমীয়া সমাজৰ তিনিটা বিহুৰ এটা অন্যতম হৈছে কাতি বিহু,য'ত আমি আকাশবন্তি প্ৰজ্বলন কৰোঁ। ভাৰতবৰ্ষৰ হিন্দু সমাজৰ লোকবিশ্বাস অনুসৰি ধন-ঐশ্চৰ্যৰ গৰাকী হৈছে দেৱী লক্ষ্মী,সেইবাবে সেইদিনা এটা বিশেষ দিন হিচাপে অসমীয়া সমাজে দেৱী লক্ষ্মীক সন্তুষ্ট কৰিবলৈ বা নিজ নিজ গৃহলৈ আহ্বান জনাবলৈ তুলসীৰ তলত,ঘৰৰ চৌহদত বা শইচৰ পথাৰত আকাশবন্তি জ্বলাই প্ৰাৰ্থনা কৰে।কিন্তু বৈজ্ঞানিক দৃষ্টিৰে চাবলৈ গ'লে সেই চাকিগছি জ্বলোৱাৰ মূল উদ্দেশ্য পথাৰৰ কীট-পতংগ নিৰ্মূলকৰণ।কাতিমাহত ধানে যেতিয়া গেঁৰ মেলে,পোক-পতংগৰো প্ৰকোপ বৃদ্ধি হয়। শস্য পথাৰত জ্বলোৱা চাকিৰ পোহৰে অনিষ্টকাৰী পোক-পতংগবোৰ আকৰ্ষিত কৰে আৰু জুইৰ শিখাই সেইবোৰ ধ্বংস কৰে।ফলত পথাৰবোৰ অনিষ্টকাৰী কীট-পতংগৰ পৰা যথেষ্ট পৰিমাণে ৰক্ষা কৰে।

বৰ্তমান মানৱজাতিয়ে বিজ্ঞানৰ ক্ষেত্ৰখনটো বহু উন্নতি সাধন কৰিছে যদিও আমি আমাৰ পৰম্পৰা-সংস্কৃতিৰ লগত জড়িত বিজ্ঞান পাহৰি পেলাইছোঁ।এইয়া মানৱজাতিৰ বাবে অতি লজ্জাজনক কথা। এইবোৰৰ ফলশ্ৰুতিত আমি আকাশবন্তিৰ স্থানত আমি কৃত্ৰিমভাৱে প্ৰস্তুত কৰা বৈদ্যুতিক জাকজমকীয়া লাইট ব্যৱহাৰ কৰিছোঁ।যদিও এনে পোহৰৰ প্ৰতি কীট-পতংগ আকৰ্ষিত হয়,কিন্তু সিহঁতৰ বিনাশ নহয়।ফলত খেতি-পথাৰত যথেষ্ট পৰিমাণে কীটনাশক দ্ৰব্য ব্যৱহাৰ

কৰিবলগীয়া হৈছে আৰু মাটিয়ে নিজৰ গুণাগুণ হেৰুৱাই পেলাইছে।ফলত উদ্ভিদ বা শস্যৰ পৰা উৎপাদন বৃদ্ধি হোৱা নাই।উৎপাদন বৃদ্ধিৰ বাবে আমি অধিক পৰিমাণে কৃত্ৰিম সাৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হওঁ।ইয়াৰ ফলত উৎপাদিত খাদ্য-সামগ্ৰীত ভেজালৰ পৰিমাণ বৃদ্ধি পাইছে আৰু এইবোৰ খাই মানৱ সমাজত ৰোগৰ সংখ্যাও বৃদ্ধি পাইছে।

আনহাতে কৃত্ৰিমতাৰ ফলত বিভিন্ন ধৰণৰ আৰামদায়ক সামগ্ৰী লাভ কৰাৰ বাবে মানুহৰ মন এলেহুৱা হৈ গৈছে।সেইবাবে আজিকালি মানুহক বিভিন্ন মাৰাত্মক ৰোগত ভোগা দেখা যায়। এতিয়া ভাৱক যদি আমি এই চাকিগছি কাতিবিহুত বা দ্বীপান্বিতাত প্ৰজ্বলন নকৰো তেন্তে আমাৰ এটা পৰিস্থিতিতন্ত্ৰ,যি প্ৰকৃতিৰ পৰা আৰম্ভ হৈ আমাৰ মানৱ স্বাস্থ্যলৈকে জড়িত হৈ আছে,সেই পৰিস্থিতি তন্ত্ৰ অসন্তুলিত হৈ পৰিব।

কৃষিকাৰ্যত আমি ৰাসায়নিক সাৰৰ সলনি জৈৱিক সাৰ,ট্ৰেক্টৰ,পাৱাৰটিলাৰৰ সলনি গৰু আৰু নাঙল-যুঁৱলিৰ ব্যৱহাৰ, কৃত্ৰিমভাৱে তৈয়াৰ কৰা কীটনাশকৰ সলনি জৈৱিকভাৱে প্ৰস্তুত কীটনাশক আদিৰ ব্যৱহাৰে মাটি আৰু বায়ু প্ৰদূষণ হ্ৰাস কৰাত সহায় কৰে। এয়া সাম্প্ৰতিক সময়ত মানৱজাতিৰ বাবে অতিশয় লাভজনক নহয় যদিও ই ভৱিষ্যৎ প্ৰজন্মৰ সুস্বাস্থ্যৰ বাবে সুফলদায়ক হ'ব।সদৌশেষত এটাই অনুৰোধ,কোনো পৰম্পৰাত অন্ধবিশ্বাস নে প্ৰকৃতিৰ এক পৰিস্থিতিতন্ত্ৰ জড়িত হৈ আছে সেয়া চালি-জাৰি চাইহে আমি তাত কৃত্ৰিমতা প্ৰয়োগ কৰা উচিত। যি কাৰ্য প্ৰাকৃতিকভাৱে সম্পাদন কৰাটো সম্ভৱ,তেনে কাৰ্যত আমি কৃত্ৰিমতা প্ৰয়োগ নকৰাটোৱে সমীচিন।



**********